### ৩.২১.২ স্পিনোজাৰ দ্ৰব্য সম্পৰ্কীয় অভিমত (Spinoza's View of Substance)

দ্ৰব্য সম্পৰ্কীয় স্পিনোজাৰ মতবাদ ডেকাৰ্টৰ দ্ৰব্য সম্বন্ধীয় মতবাদৰ সংশোধিত ৰূপ। ডেকাৰ্টৰ মতে, যি স্বনিৰ্ভৰ সিয়েই দ্ৰব্য। এই অৰ্থত ডেকাৰ্টে ঈশ্বৰক দ্ৰব্য হিচাপে স্বীকাৰ কৰিছে। কিন্তু ডেকাৰ্টে গুণৰ আধাৰ হিচাপে মন আৰু জড়ক দ্ৰব্য বুলি স্বীকাৰ কৰিছে। অৱশ্যে ডেকাৰ্টে এইটোও স্বীকাৰ কৰিছে মন আৰু জড়তকৈ ঈশ্বৰ অধিকতৰ দ্ৰাব্যিক। কাৰণ ঈশ্বৰ মন আৰু জড়ক সৃষ্টি কৰিছে আৰু ঈশ্বৰ ইচ্ছা কৰিলে মন আৰু জড়ক ধ্বংস কৰিবও পাৰে। ঈশ্বৰ সৰ্বশক্তিমান আৰু ঈশ্বৰৰ এই সৰ্বশক্তিমত্তাৰ সম্পৰ্ক ব্যতীত মন আৰু জড় দুটি স্বাধীন দ্ৰব্য। স্পিনোজা ডেকাৰ্টৰ দ্ৰব্যৰ সংজ্ঞা স্বীকাৰ কৰি কৈছে যে, দ্ৰব্য স্বনিৰ্ভৰ; আনফালে, ডেকাৰ্টৰ ত্ৰি-দ্ৰব্যৰ ধাৰণা অস্বীকাৰ কৰি কৈছে, মন আৰু জড় অৰ্থাৎ চিন্তন আৰু বিস্তৃতি ঈশ্বৰৰ অসংখ্য গুণাৱলীৰ ভিতৰত দুটা গুণ। সেইকাৰণে ডেকাৰ্টৰ দ্ৰব্যৰ সংজ্ঞা সংশোধন কৰি স্পিনোজাই তেওঁৰ 'Ethics' গ্ৰন্থত দ্ৰব্যৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছে এনেদৰে ঃ *"By 'substance' I understand: what is in itself and is conceived through itself, i.e. that whose concept doesn't have to be formed out of the concept of something else (D3)."* অৰ্থাৎ **"দ্ৰব্যৰ দ্বাৰা মই তাকে বুজোঁ যি নিজে নিজে অস্তিত্বশীল আৰু যাৰ ধাৰণা নিজৰ দ্বাৰাই হয়; অৰ্থাৎ যাৰ ধাৰণা গঠনৰ বাবে অন্য কোনো বস্তুৰ ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰিবলগা নহয়"**। স্পিনোজাৰ এই সংজ্ঞাক বিশ্লেষণ কৰিলে দেখা যায় যে, দ্ৰব্যৰ দুটা গুৰুত্বপূৰ্ণ লক্ষণ আছে— **স্বনিৰ্ভৰতা** (self-dependence) আৰু **স্ববেদ্যতা** (self-intelligibility)। যি নিজৰ অস্তিত্বৰ বাবে আন কাৰো ওপৰত নিৰ্ভৰশীল নহয় তাক কোৱা হয় স্বনিৰ্ভৰ; আৰু যাৰ ধাৰণাক বুজাৰ বাবে আন কাৰো ওপৰত নিৰ্ভৰ কৰিবলগা নহয় অথবা যাক নিজৰ দ্বাৰাই বুজা যায় তাক কোৱা হয় স্ববেদ্য। স্পিনোজাৰ মতে, স্বনিৰ্ভৰতা আৰু স্ববেদ্যতা— এই দুই লক্ষণ থাকিলেহে কোনো বস্তুক দ্ৰব্য বুলি আখ্যা দিয়া যায়।

গতিকে স্পিনোজাৰ দ্ৰব্যৰ সংজ্ঞানুসাৰে এইটো নিঃসৃত হয় যে, ঈশ্বৰেই একমাত্ৰ দ্ৰব্য— কাৰণ ঈশ্বৰেই একমাত্ৰ স্বনিৰ্ভৰ আৰু স্ববেদ্য। ঈশ্বৰ অনন্ত গুণসম্পন্ন। ঈশ্বৰ-দ্ৰব্যৰ অনন্ত গুণৰ মাজত কেৱল দুটা গুণ সম্পৰ্কে আমি জ্ঞাত— **চেতনা** (consciousness) আৰু **বিস্তৃতি** (extension)। দ্ৰব্যৰ অনন্ত গুণৰ ভিতৰত আমাৰ

বুদ্ধি কেৱল এই দুটা গুণকে জানিব পাৰে। জীৱাত্মা আৰু জড়বস্তু হ'ল ঈশ্বৰৰ এই দুটা গুণৰ সমান্তৰাল প্ৰকাশ। জীৱাত্মা হ'ল অনন্ত চেতনাৰ প্ৰকাশ আৰু জড়বস্তু হ'ল অনন্ত বিস্তৃতিৰ প্ৰকাশ। সমূদ্ৰ বিহীন যেনেকৈ সমূদ্ৰ তৰংগৰ কোনো স্বতন্ত্ৰ অস্তিত্ব নাই, তেনেকৈ ঈশ্বৰ বা দ্ৰব্য বিহীন জীৱ আৰু জগতৰ কোনো পৃথক অস্তিত্ব নাই। গতিকে ঈশ্বৰেই একমাত্ৰ দ্ৰব্য।

স্পিনোজা প্ৰদত্ত দ্ৰব্যৰ লক্ষণ অনুসাৰে দ্ৰব্য এক (one)। কাৰণ দ্ৰব্য যদি বহু হয় তেনেহ'লে এক দ্ৰব্য আন দ্ৰব্যৰ দ্বাৰা সীমিত হ'ব। কিন্তু দ্ৰব্য অসীম। আন কোনো বস্তুৱে দ্ৰব্যক সীমিত কৰিব নোৱাৰে বাবে দ্ৰব্য অসীম। দ্ৰব্যৰ উৎপত্তি আৰু বিনাশ নাই, সেইকাৰণে দ্ৰব্য নিত্য, শাশ্বত আৰু অনন্ত। দ্ৰব্য নিৰ্বিশেষ, দ্ৰব্যক বিভিন্ন গুণৰ দ্বাৰা বিভূষিত কৰা নাযায়; কাৰণ কোনো এটা গুণৰ দ্বাৰা দ্ৰব্যক বিভূষিত কৰিলে দ্ৰব্যত অন্য গুণৰ অভাৱ সূচিত হয়। এই কথাটোকে স্পিনোজাই এটা বিখ্যাত উক্তিৰ দ্বাৰা ব্যক্ত কৰিছে এনেদৰে ঃ *'Dterminatio neagtio est'* অৰ্থাৎ **'সকলো গুণ-নিৰ্ধাৰণেই নঞৰ্থক'** (every determination is negation)। প্ৰকৃততে, দ্ৰব্য অনন্ত গুণ সম্পন্ন আৰু সেইকাৰণে কোনো এটা নিৰ্দিষ্ট গুণৰ দ্বাৰা দ্ৰব্যক বিশেষিত কৰিব নোৱাৰি। দ্ৰব্য **স্বয়ম্ভু** (causa sui); দ্ৰব্য নিজেই নিজৰ কাৰণ। দ্ৰব্যৰ যদি কাৰণ থাকে তেনেহ'লে সি অন্য কাৰণৰ দ্বাৰা উৎপন্ন হ'ব আৰু সংজ্ঞানুসাৰে তাক দ্ৰব্য বুলিব নোৱাৰি। দ্ৰব্য সম্পূৰ্ণ স্বাধীন। সকলো বস্তুৰ অস্তিত্ব দ্ৰব্যৰ ওপৰত নিৰ্ভৰশীল, কিন্তু দ্ৰব্যৰ অস্তিত্ব কাৰো ওপৰত নিৰ্ভৰশীল নহয়। আকৌ, দ্ৰব্য পূৰ্ণতম সত্তা বাবে দ্ৰব্যৰ পৰিৱৰ্তনৰ প্ৰয়োজন নাই; কাৰণ অপূৰ্ণ বস্তুৱেই পৰিৱৰ্তনৰ মাজেদি পূৰ্ণতাৰ দিশে অগ্ৰসৰ হয়। গতিকে দ্ৰব্য অপৰিণামী। দ্ৰব্য এক আৰু অদ্বিতীয় হোৱা বাবে স্পিনোজাৰ দ্ৰব্যতত্ত্বক **অদ্বৈতবাদ বা একত্ববাদ** (monism) বুলি অভিহিত কৰা হয়।

স্পিনোজাৰ দৰ্শনত দ্ৰব্য বা ঈশ্বৰেই সকলো আৰু সকলো বস্তুৱেই দ্ৰব্য বা ঈশ্বৰ (all is God and God is all)। জড়-অজড় সকলোবোৰেই একেই দ্ৰব্যৰ প্ৰকাশ। জগতৰ সকলোবোৰেই দ্ৰব্য বা ঈশ্বৰ নিৰ্ভৰ আৰু ঈশ্বৰৰ দ্বাৰা সৃষ্ট। সমগ্ৰ জগত হৈছে **সৃষ্ট-প্ৰকৃতি** (Natura naturata) আৰু পৰম দ্ৰব্য বা ঈশ্বৰ যি এই সৃষ্ট প্ৰকৃতিৰ ভিত্তি সি হ'ল **স্ৰষ্টা-প্ৰকৃতি** (Natura naturans)। ঈশ্বৰ বা দ্ৰব্য হৈছে এই সমগ্ৰ সৃষ্ট-প্ৰকৃতিৰ অৰ্থাৎ বিশ্ব-প্ৰকৃতিৰ অন্তঃস্থিত হেতু, সেইবাবে ঈশ্বৰ হ'ল স্ৰষ্টা-প্ৰকৃতি। ঈশ্বৰ বা পৰম দ্ৰব্যই একমাত্ৰ সত্তা— এই জগত ঈশ্বৰ বহিৰ্ভূত নহয়। জগতত যি আছে সি ঈশ্বৰ হিচাপে আছে আৰু ঈশ্বৰ বিহীন বা দ্ৰব্য বিহীন কোনো

বস্তুৰেই স্বতন্ত্ৰ অস্তিত্ব নাই। সেইকাৰণে স্পিনোজাৰ মতে, **দ্ৰব্য = ঈশ্বৰ = প্ৰকৃতি** (Substance=God=Nature)। দ্ৰব্য বা ঈশ্বৰ সম্পৰ্কীয় স্পিনোজাৰ এই মতবাদ **সৰ্বেশ্বৰবাদ** (Pantheism) নামে পৰিচিত।

**সমালোচনা (Criticism) ঃ** স্পিনোজাৰ দ্ৰব্যতত্ত্ব ডেকাৰ্টতকৈ উন্নত হ'লেও ইয়াৰ কিছুমান ত্ৰুটি পৰিলক্ষিত হয়। এইবোৰ নিম্নৰূপ ঃ

(১) স্পিনোজাৰ মতে, দ্ৰব্য এটাই আৰু এই এক দ্ৰব্য হৈছে ঈশ্বৰ। গতিকে স্পিনোজাৰ মতবাদ এক অদ্বৈতবাদী মতবাদ য'ত 'বহুত্ব' সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা হয়। কিন্তু 'বহুত্ব' অস্বীকাৰ কৰি 'এক'ৰ ব্যাখ্যা দিয়া সন্তোষজনক নহয়। এই এক সত্তাৰ পৰা কেনেকৈ বিভিন্ন আৰু বিচিত্ৰ জাগতিক বস্তুবোৰৰ উৎপত্তি হ'ল তাৰ সন্তোষজনক ব্যাখ্যা স্পিনোজাই দিব পৰা নাই। গতিকে স্পিনোজাৰ বহুবৰ্জিত একৰ ধাৰণা এক শুন্যগৰ্ভ ধাৰণা।

(২) যদি দ্ৰব্য এক, অদ্বিতীয় আৰু অসীম হয়, তেনেহ'লে জগতৰ গতি, বৈচিত্ৰ্য আৰু পৰিৱৰ্তনৰ ব্যাখ্যা অসম্ভৱ হৈ পৰে। যি সসীম তাৰ এক স্তৰৰ পৰা অন্য স্তৰলৈ গতি বা পৰিৱৰ্তন সম্ভৱ; কিন্তু যি অসীম আৰু এক তাৰ কোনো গতি বা পৰিৱৰ্তন সম্ভৱ নহয়।

(৩) স্পিনোজাৰ মতে, মন (বা চেতনা) আৰু জড় (বা বিস্তৃতি) ঈশ্বৰৰ অসংখ্য গুণৰ ভিতৰত দুটা গুণ আৰু এই গুণ দুটা সম পৰ্যায়ৰ। কিন্তু স্পিনোজৰ এই মত গ্ৰহণ কৰিব নোৱাৰি। কাৰণ মন আৰু জড় যদি সমপৰ্যায়ৰ হয়, তেনেহ'লে এটাই আনটোক জানিব পাৰে। কিন্তু এইটো সম্ভৱ নহয়। মন বা চেতনাই জড়বস্তু বা বিস্তৃতিক জানিব পাৰে, কিন্তু বিস্তৃতিয়ে চেতনাক জানিব নোৱাৰে।

(৪) স্পিনোজাৰ মতে, দ্ৰব্য = ঈশ্বৰ = প্ৰকৃতি। হিউমে (Hume) স্পিনোজাৰ দ্ৰব্য, ঈশ্বৰ আৰু প্ৰকৃতিৰ সমীকৰণৰ বিষয়টোক অতি কুৎসিত প্ৰকল্প (hideous hypothesis) বুলি অভিহিত কৰিছে। ঈশ্বৰ যদি প্ৰকৃতিৰ লগত অভিন্ন হয়, তেনেহ'লে স্পিনোজাৰ মতবাদ জড়বাদৰ লগত অভিন্ন।

(৫) স্পিনোজাৰ মতে, দ্ৰব্য আৰু ঈশ্বৰ অভিন্ন। এই মতবাদ সঠিক নহয়। স্পিনোজাৰ ঈশ্বৰ ধৰ্মীয় মানুহক তৃপ্ত কৰিব নোৱাৰে। ধৰ্মীয় মানুহে ভাবে যে, ঈশ্বৰৰ অসংখ্য গুণ আছে, কিন্তু স্পিনোজাৰ ঈশ্বৰ নিৰ্গুণ। এই নিৰ্গুণ ঈশ্বৰ মানুহৰ মাজত আধ্যাত্মিক চেতনা জাগ্ৰত কৰিব নোৱাৰে।

Scanned with OKEN Scanner

গতিকে স্পিনোজৰ দ্ৰব্যতত্ত্ব সন্তোষজনক নহয়। স্পিনোজাৰ মতবাদ এক দুৰ্বোধ্য মতবাদ। সেইকাৰণে হেগেলে (Hegel) স্পিনোজাক সমালোচনা কৰি কৈছে, 'স্পিনোজাৰ দ্ৰব্য যেন এটা সিংহৰ গুহা য'ত প্ৰৱেশ কৰাৰ বহু পদচিহ্ন দেখা যায়; কিন্তু তাৰ পৰা উভতি অহাৰ কোনো পদচিহ্নই দেখা নাযায়।'

## ৩.২১.৩ লাইব্‌নিজৰ দ্ৰব্য সম্পৰ্কীয় অভিমত (Leibnitz's View of Substance)

লাইব্‌নিজৰ দ্ৰব্যতত্ত্ব তেওঁৰ 'Monadology' আৰু 'Principles of Nature and of Grace' নামৰ গ্ৰন্থ দুখনিত পোৱা যায়। দ্ৰব্য সম্পৰ্কে ডেকাৰ্ট আৰু স্পিনোজাই যি মত আগবঢ়াইছে তাৰ পৰা লাইব্‌নিজে ভিন্ন মত পোষণ কৰে। ডেকাৰ্ট আৰু স্পিনোজাই স্বনিৰ্ভৰতাকেই (self-dependence) দ্ৰব্যৰ স্বৰূপ লক্ষণ বুলি কৈছিল। তেওঁলোকৰ মতে, যি স্বনিৰ্ভৰ, যি নিজৰ অস্তিত্বৰ বাবে কাৰো ওপৰত নিৰ্ভৰ কৰিবলগা নহয় সিয়েই দ্ৰব্য। **কিন্তু লাইব্‌নিজৰ মতে, কেৱল স্বনিৰ্ভৰতা নহয়, আত্ম-সক্ৰিয়তা বা স্বয়ং-ক্ৰিয়তাই** (self-activity) **দ্ৰব্যৰ মূল লক্ষণ। দ্ৰব্য হ'ল সি যি স্বনিৰ্ভৰ আৰু স্বয়ং-ক্ৰিয় অৰ্থাৎ যি অন্যনিৰপেক্ষভাৱে ক্ৰিয়া কৰিব পাৰে। যি আত্ম-সক্ৰিয়, স্বাধীনভাৱে ক্ৰিয়া কৰাৰ ক্ষমতাসম্পন্ন সিয়ে দ্ৰব্য।** সেইকাৰণে লাইব্‌নিজে দ্ৰব্যৰ সংজ্ঞা দিছে, *"A substance is a being that is capable of action."* অৰ্থাৎ **"দ্ৰব্য হৈছে এনে সত্তা যি স্বাধীনভাৱে ক্ৰিয়া কৰিবলৈ সমৰ্থ"**। দ্ৰব্য ক্ৰিয়াশীলতাৰ উৎস— কেৱল আত্ম-ক্ৰিয়াতেই শক্তিৰ পৰিচয় পোৱা যায়। গতিকে দ্ৰব্য আত্ম-ক্ৰিয়াশীল শক্তি (self-acting force)।

লাইব্‌নিজৰ মতে, ক্ৰিয়াশীলতাৰ উৎসৰূপে দ্ৰব্য কেতিয়াও জড়পদাৰ্থ হ'ব নোৱাৰে। যি আত্ম-সক্ৰিয়া সি চেতন। গতিকে দ্ৰব্য হৈছে চেতনপদাৰ্থ। দ্ৰব্য যৌগিক নহয়; দ্ৰব্য হৈছে সৰল, অবিভাজ্য আৰু অংশহীন। কোনো জড়পদাৰ্থই, যেনেকৈ পৰমাণু (atoms), অতি ক্ষুদ্ৰ হ'লেও অবিভাজ্য হ'ব নোৱাৰে। কাৰণ জড়বস্তু মাত্ৰেই বিস্তাৰযুক্ত; গতিকে পৰমাণু যিমানেই ক্ষুদ্ৰ নহওক পৰমাণুৰো বিস্তাৰ আছে। আকৌ, গণিতৰ বিন্দু একক ৰূপে অবিভাজ্য— কিন্তু তাৰ পৰিমাণ নাই বাবে সি অবাস্তৱ। সেইকাৰণে একমাত্ৰ চেতন পদাৰ্থই অবিভাজ্য— বাস্তৱ আৰু কল্পনাতো চেতন পদাৰ্থৰ বিভাজন সম্ভৱ নহয়। লাইব্‌নিজৰ দৰ্শনত এনেকুৱা চেতন পদাৰ্থ, যি সক্ৰিয় কৰ্তাৰূপে অস্তিত্বশীল, সিয়ে প্ৰকৃতপক্ষে দ্ৰব্য। এনেকুৱা চেতন দ্ৰব্যক লাইব্‌নিজে

**'মনাড'** (Monad) বা **চিৎপৰমাণু** বুলি অভিহিত কৰিছে ('Monad' এটা গ্ৰীক শব্দ যাৰ অৰ্থ 'ঐক্য' বা 'একত্ব')। এই মনাড বা চিৎপৰমাণু জগতৰ সমস্ত বস্তুৰ মূল উপাদান আৰু লাইব্‌নিজৰ মতানুসাৰে কেৱলমাত্ৰ মনাডকে দ্ৰব্য বুলি অভিহিত কৰা যায়। মনাড বা চিৎপৰমাণু সংখ্যাত অসংখ্য। সেইকাৰণে লাইব্‌নিজে ডেকাৰ্টৰ তিনি দ্ৰব্যৰ ধাৰণা আৰু স্পিনোজাৰ একক দ্ৰব্যৰ ধাৰণাক খণ্ডন কৰি কৈছে **দ্ৰব্য অসংখ্য**। মনাড বা দ্ৰব্য অসংখ্য বুলি বিশ্বাস কৰা বাবে লাইব্‌নিজ **বহুত্ববাদী** (pluralist) হিচাপে পৰিচিত। আনফালে, লাইব্‌নিজৰ দ্ৰব্যতত্ত্বত চেতন বা আধ্যাত্মিক দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰা বাবে তেওঁৰ মতবাদ **আধ্যাত্মিক** (spiritualist) মতবাদ হিচাপে খ্যাত। আকৌ, প্ৰতিটো মনাড চেতন বা আত্মাসম বাবে লাইব্‌নিজৰ দ্ৰব্যতত্ত্বক **চিৎ-সৰ্বস্ববাদ বা সৰ্বাত্মাবাদ** (pan-psychism) বোলা হয়।

মনাডবোৰ অসংখ্য যদিও এটা আনটোৰ পৰা স্বতন্ত্ৰ। মনাডবোৰ স্বয়ংক্ৰিয়, স্বাধীন আৰু অন্যনিৰপেক্ষ। মনাডবোৰ চেতন পদাৰ্থ— এক আধ্যাত্মিক একক। মনাডবোৰ সৰল, অবিভাজ্য আৰু নিৰংশ। কাৰণ চেতনাৰ বিভাজন বা অংশ সম্ভৱ নহয়। প্ৰত্যেক মনাড অনন্ত শক্তিসম্পন্ন— সমগ্ৰ জগতক প্ৰতিবিম্বিত কৰাৰ ক্ষমতা প্ৰত্যেক মনাডতে সুপ্তভাৱে থাকে। মনাডৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল— প্ৰত্যেক মনাড **গবাক্ষবিহীন বা বাতায়নহীন** (windowless)। অৰ্থাৎ মনাডৰ ভিতৰত প্ৰৱেশ বা নিৰ্গমনৰ কোনো পথ নাই। প্ৰত্যেক মনাডৰ মাজত আভ্যন্তৰীণ ক্ৰিয়া আছে আৰু এটা মনাডৰ ক্ৰিয়া আনটো মনাডক প্ৰভাৱিত কৰিব নোৱাৰে।

লাইব্‌নিজৰ মতে, মনাডবোৰৰ মাজত এক ধাৰাবাহিক ঐক্য আছে। অৱশ্যে, দুটা মনাড সম্পূৰ্ণৰূপে এক বা অভিন্ন নহয়। মনাডবোৰৰ মাজত ক্ৰিয়াশক্তিৰ তাৰতম্য বা পাৰ্থক্য আছে আৰু সেই অনুসাৰে মনাডবোৰৰ প্ৰত্যক্ষণ স্পষ্ট বা অস্পষ্ট হয়। কোনো মনাড কম সক্ৰিয় আৰু কোনো মনাড বেছি সক্ৰিয়। যি মনাড কম সক্ৰিয় তাৰ চেতনা কম স্পষ্ট আৰু যি মনাড বেছি সক্ৰিয় সেই মনাডৰ সক্ৰিয়তা বেছি স্পষ্টতৰ। এই দিশৰ ওপৰত গুৰুত্ব দি লাইব্‌নিজে মনাডবোৰ তিনিটা স্তৰত (grades) ভাগ কৰিছে— **অচেতন** (unconscious), **সচেতন** (conscious) আৰু **আত্মসচেতন** (self-conscious)। অচেতন মনাড হ'ল বিভিন্ন জড়পদাৰ্থ আৰু উদ্ভিদ; সচেতন মনাড হ'ল ইতৰ জীৱ বা প্ৰাণী; আৰু আত্মসচেতন মনাড বুলিলে মানৱাত্মাক (human soul) বুজোৱা হয়। ক্ৰমবিন্যাসৰ সৰ্বোচ্চ স্তৰত আছে ঈশ্বৰ-মনাড আৰু ঈশ্বৰ-মনাড পৰিপূৰ্ণ সক্ৰিয় মনাড। ঈশ্বৰ-মনাডৰ প্ৰত্যক্ষণ আৰু চেতনা অনন্ত আৰু

Scanned with OKEN Scanner

অসীম। দ্ৰব্যৰূপে ঈশ্বৰ-মনাডেই সকলো প্ৰকাৰৰ মনাডৰ ভিতৰত শ্ৰেষ্ঠ মনাড (Highest Monad or Queen Monad) আৰু অন্যান্য মনাডৰ স্ৰষ্টা। ঈশ্বৰ মনাড হ'ল **'মনাডৰ মনাড'** (Monad of monads)।

লাইবনিজৰ মতানুসাৰে মনাডবোৰৰ বিশিষ্টতা আৰু ব্যক্তিত্বৰ বাবে প্ৰতিটো মনাডেই স্বাধীন আৰু কোনোৱে কাৰো ওপৰত ক্ৰিয়া কৰিব নোৱাৰে। অৱশ্যে, এটা মনাডৰ মাজত পৰিৱৰ্তন ঘটিলে অৰ্থাৎ জগত সম্পৰ্কে কোনো প্ৰত্যক্ষণ বা চিন্তন প্ৰতিবিম্বিত হ'লে অন্য মনাডৰ মাজত এনেকুৱা প্ৰত্যক্ষণ বা চিন্তনৰ প্ৰতিফলন ঘটে। এই বিষয়টোক ব্যাখ্যা কৰাৰ বাবে লাইবনিজে **'পূৰ্বপ্ৰতিষ্ঠিত শৃংখলাৰ'** (Pre-established Harmony) কথা উল্লেখ কৰিছে। লাইবনিজৰ মতে, ঈশ্বৰ বা সৰ্বশ্ৰেষ্ঠ মনাড অন্যান্য মনাডবোৰক পূৰ্বৰে পৰা এনেদৰে শৃংখলাবদ্ধ কৰিছে যে, বিভিন্ন মনাডবোৰৰ ঘটনা-প্ৰবাহৰ মাজত সামঞ্জস্য দেখা যায়। ঈশ্বৰ প্ৰতিটো মনাডৰ মাজত এনে গুণ আৰোপ কৰিছে যাৰ ফলত প্ৰতিটো মনাডত স্বতঃস্ফূত বিশ্বজগত প্ৰতিফলিত হয়। এই পূৰ্বপ্ৰতিষ্ঠিত শৃংখলা অনুসাৰে এটা মনাডৰ পৰিৱৰ্তনৰ ফলত অন্য মনাডৰ মাজতো পৰিৱৰ্তন সাধিত হয়। পৰস্পৰৰ মাজত এই পৰিৱৰ্তনৰ ফলত একেই ৰকমৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

**সমালোচনা (Criticism) ঃ** লাইবনিজৰ দ্ৰব্যতত্ত্ব দোষযুক্ত। ডেকাৰ্ট আৰু স্পিনোজাৰ মতবাদৰ দৰে লাইবনিজৰ দ্ৰব্য সম্পৰ্কীয় ধাৰণাৰ কিছুমান বিশেষ ত্ৰুটি আছে। এইবোৰ নিম্নৰূপ ঃ

(১) লাইবনিজৰ মতে, দ্ৰব্য হৈছে এনেকুৱা সত্তা যি নিজে নিজে ক্ৰিয়া কৰিবলৈ সমৰ্থ। স্বয়ংক্ৰিয়তাই দ্ৰব্যৰ মূল লক্ষণ। কিন্তু তেওঁ মনাডৰ বিভিন্ন স্তৰভেদত জড়জগত আৰু উদ্ভিদক অচেতন মনাড বুলি অভিহিত কৰিছে। প্ৰশ্ন হ'ল ঃ এনে জড়জগত বা উদ্ভিদজগত স্বয়ংক্ৰিয় হয় নে? চেতনদ্ৰব্য স্বীকাৰ কৰি জড় জাতীয় মনাডৰ স্বীকৃতি লাইবনিজৰ দৰ্শনৰ এটা ডাঙৰ স্ববিৰোধিতা।

(২) লাইবনিজৰ মতে, বিশ্বজগতৰ মূল উপাদান জড় পৰমাণু নহয়, চেতন পৰমাণু যাক লাইবনিজে 'মনাড' বুলি কৈছে। কিন্তু লাইবনিজৰ চেতন পৰমাণু অৰ্থাৎ মনাড প্ৰত্যক্ষগোচৰ নহয়। আমি যি প্ৰত্যক্ষ কৰোঁ সি যৌগিক বস্তু, অযৌগিক বা নিৰাংশ কোনো বস্তুক প্ৰত্যক্ষ কৰা নাযায়। আকৌ, মনাডৰ জ্ঞান বুদ্ধিৰ দ্বাৰাও লাভ কৰা নাযায়।

(৩) লাইবনিজৰ মনাড স্বনিৰ্ভৰ, স্বাধীন আৰু গবাক্ষবিহীন। স্বনিৰ্ভৰ আৰু স্বাধীন

Scanned with OKEN Scanner

বাবে মনাডবোৰে কাৰো ওপৰত নিৰ্ভৰ নকৰি নিজে নিজে ক্ৰিয়া কৰিব পাৰে। মনাডবোৰ গবাক্ষবিহীন বাবে এটা মনাডৰ ক্ৰিয়াই আন এটা মনাডক প্ৰভাৱিত কৰিব নোৱাৰে। যদি এনেকুৱাই হয়, তেনেহ'লে মনাডসমূহৰ মাজত পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া সম্ভৱ নহয় আৰু জাগতিক শংখলা, সংগতি, ঐক্য আদিৰ ব্যাখ্যা কৰা নাযায়।

(৪) লাইবনিজে মনাডবোৰৰ মাজত পাৰস্পৰিক ক্ৰিয়াক ব্যক্ত কৰিবলৈ 'পূৰ্বপ্ৰতিষ্ঠিত শৃংখলা'ৰ কথা উল্লেখ কৰিছে। মনাডবোৰৰ মাজত পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া ঘটাবলৈ, মনাডবোৰৰ মাজত সংহতি আৰু ঐক্য বজাই ৰখাৰ বাবে ঈশ্বৰে মনাডবোৰৰ মাজত পূৰ্বপ্ৰতিষ্ঠিত শৃংখলাৰ স্থাপন কৰিছিল— এই কথাৰ দ্বাৰা প্ৰকৃততে একোৱে নুবুজায়। 'ঈশ্বৰ এনেকুৱা কৰিছে'—এইটোৱে ইয়াৰ শেষ উত্তৰ। কিন্তু কিয় আৰু কেনেকৈ কৰিছে— এই প্ৰশ্নৰ উত্তৰ নাই।

(৫) লাইবনিজে বহুক স্বীকাৰ কৰি বহুৰ মাজত এক ঐক্যবিধায়ক একক অস্বীকাৰ কৰিছে। আকৌ, কেতিয়াবা সৰ্বশ্ৰেষ্ঠ মনাড হিচাপে ঈশ্বৰক স্বীকাৰ কৰিছে। লাইবনিজৰ মতে, ঈশ্বৰ অন্যান্য মনাডৰ স্ৰষ্টা। যদি ঈশ্বৰ-মনাডেই সকলো মনাডৰ স্ৰষ্টা হয়, তেনেহ'লে বহুত্বক কেনেদৰে লাইবনিজে মানি ল'লে তাক বুজা নাযায়। ঈশ্বৰ সকলো মনাডৰ স্ৰষ্টা হ'লে প্ৰতি প্ৰত্যেকটো মনাড স্বাধীন, স্বনিৰ্ভৰ আৰু স্বয়ংক্ৰিয় হ'ব নোৱাৰে। এইবোৰ ঈশ্বৰ নিৰ্ভৰ হৈ পৰিব।

## ৩.২২ দ্ৰব্য সম্পৰ্কীয় অভিজ্ঞতাবাদী মতবাদ (The Empiricist View of Substance)

অভিজ্ঞতাবাদ অনুসৰি ইন্দ্ৰিয়-প্ৰত্যক্ষ বা অভিজ্ঞতাই জ্ঞান লাভৰ মূল উৎস। দ্ৰব্য সম্বন্ধীয় অভিজ্ঞতাবাদী মতবাদ অনুসৰি ইন্দ্ৰিয়-অভিজ্ঞতাই দ্ৰব্যৰ ধাৰণাৰ উৎস। ইন্দ্ৰিয়-অভিজ্ঞতাৰে বস্তুজগতৰ যি জ্ঞান লাভ হয় তাৰ পৰাই আমাৰ মনত দ্ৰব্যৰ ধাৰণাৰ উৎপত্তি হয়। কোনো কোনো অভিজ্ঞতাবাদী দাৰ্শনিকে জাগতিক বস্তুসমূহৰ গুণৰ আধাৰ হিচাপে দ্ৰব্যক স্বীকাৰ কৰি লয়। আনহাতে, কিছুমান অভিজ্ঞতাবাদী দাৰ্শনিকে অভিজ্ঞতা বহিৰ্ভূত কোনো বস্তুৰে অস্তিত্ব স্বীকাৰ কৰি নলয়। আধুনিক পাশ্চাত্য দৰ্শনত অভিজ্ঞতাবাদী দাৰ্শনিক বুলিলে মূলতঃ ল'ক (Locke), বাৰ্কলি (Berkeley) আৰু হিউমৰ (Hume) নাম বিশেষভাৱে উল্লেখযোগ্য। এই তিনিওজন দাৰ্শনিকৰ দ্ৰব্য সম্পৰ্কীয় মতবাদ তলত আলোচনা কৰা হ'ল।

Scanned with OKEN Scanner

### ৩.২২.১ ল'কৰ দ্ৰব্য সম্পৰ্কীয় অভিমত (Locke's View of Substance)

ল'কৰ দ্ৰব্য সম্পৰ্কীয় মতবাদ সাধাৰণ বা লৌকিক মতবাদৰ অনুৰূপ। সাধাৰণ মতবাদৰ দৰে ল'কেও গুণৰ আধাৰ হিচাপে দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে। ল'কৰ মতে, **'দ্ৰব্য হ'ল জ্ঞাত গুণৰ অজ্ঞাত আধাৰ বা আশ্ৰয়'** (Substance is the unknown substratum of known qualities)। ল'কৰ অভিজ্ঞতাবাদ অনুসাৰে অভিজ্ঞতা দুই ধৰণৰ— **সংবেদন** (sensation) আৰু **অন্তৰ্দৰ্শন** (reflection or introspection)। সংবেদন আৰু অন্তৰ্দৰ্শনৰ সহায়ত আমি যিবোৰ **ধাৰণা** (Ideas) পাওঁ, তাৰ দ্বাৰাই আমাৰ সমস্ত জ্ঞান গঠিত হয়। ধাৰণা জ্ঞানৰ উপাদান। ল'কৰ অভিমত হ'ল সংবেদন আৰু অন্তৰ্দৰ্শনৰ দ্বাৰা আমি দ্ৰব্যৰ জ্ঞান লাভ নকৰোঁ, আমি কেৱল লাভ কৰোঁ গুণৰ জ্ঞান। সংবেদনৰ মাধ্যমত বহিৰ্জগতৰ বস্তুবোৰৰ ৰূপ, ৰস, গোন্ধ, আকৃতি প্ৰভৃতি গুণবোৰৰ জ্ঞান লাভ কৰোঁ। অন্তৰ্দৰ্শনৰ মাধ্যমত সুখ, দুখ, ইচ্ছা, অনিচ্ছা, আশা, ভৰসা ইত্যাদি মানসিক অৱস্থাবোৰৰ জ্ঞান লাভ কৰোঁ। কিন্তু সংবেদনৰ আৰু অন্তৰ্দৰ্শনৰ মাধ্যমত প্ৰাপ্ত গুণসমূহ শুন্যত ভাহি থাকিব নোৱাৰে। কাৰণ গুণ স্বনিৰ্ভৰ নহয়, গুণ নিজে নিজেই বৰ্তি থাকিব নোৱাৰে; সিহঁতৰ কিবা নহয় কিবা আশ্ৰয় বা আধাৰৰ অৱশ্যই থাকিব লাগিব। এই আশ্ৰয় বা আধাৰ হৈছে দ্ৰব্য। গতিকে দ্ৰব্য হৈছে গুণৰ আধাৰ।

ল'ক ডেকাৰ্টৰ দৰে তিনিটা দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে— **জড়** (Matter), **মন বা আত্মা** (Mind or Soul) আৰু **ঈশ্বৰ** (God)। তেওঁ গুণৰ ভিত্তিত এই তিনিটা দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে। ৰূপ, ৰস, গোন্ধ, বিস্তৃতি, আকৃতি প্ৰভৃতি গুণবোৰ বাহ্যপ্ৰত্যক্ষৰ বিষয়। এই গুণবোৰৰ আধাৰ হিচাপে ল'কে জড়দ্ৰব্যৰ (material substance) অস্তিত্ব স্বীকাৰ কৰিছে। সুখ, দুখ প্ৰভৃতি মানসিক অৱস্থা আন্তঃপ্ৰত্যক্ষৰ বিষয়। এই গুণবোৰৰ আধাৰ হিচাপে ল'কে মন বা আত্মা নামৰ মানসিক বা আধ্যাত্মিক (spiritual substance) দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে। আনহাতে, জীৱ-জগতৰ স্ৰষ্টাৰূপে সৰ্বজ্ঞ, সৰ্বশক্তিমান প্ৰভৃতি গুণৰ আধাৰ হিচাপে ল'কে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছে। গতিকে ল'কৰ মতে, দ্ৰব্য তিনিটা— জড়, মন বা আত্মা আৰু ঈশ্বৰ। কিন্তু ল'কৰ অভিমত অনুসাৰে জড়দ্ৰব্য আৰু আধাত্ম দ্ৰব্য— উভয়ে অজ্ঞাত আৰু অজ্ঞেয় (unknown and unknowable)। সেইকাৰেণ ল'কে কৈছে, **'দ্ৰব্য হৈছে এনেকুৱা বিষয় যাক মই নাজানো'** (something I know not what); কেৱল

Scanned with OKEN Scanner

এইখিনি জানোঁ যে সি হ'ল আমৰ সংবেদনৰ অজ্ঞাত কাৰণ।

**সমালোচনা (Criticism) ঃ** ল'ক দ্ৰব্যতত্ত্ব গ্ৰহণযোগ্য নহয়। ল'ক অভিজ্ঞতাবাদী দাৰ্শনিক হোৱা সত্ত্বেও তেওঁৰ দ্ৰব্যতত্ত্বত অভিজ্ঞতা বিৰোধী মন্তব্য কৰিছে। ল'ক মতবাদৰ বিৰুদ্ধে তলত দিয়া আপত্তিসমূহ উল্লেখ কৰিব পাৰি ঃ

(১) ল'কৰ মতে, দ্ৰব্য হ'ল গুণৰ অজ্ঞাত আধাৰ। দ্ৰব্য অজ্ঞাত আৰু অজ্ঞেয়। দ্ৰব্য যদি অজ্ঞাত আৰু অজ্ঞেয় হয়, তেনেহ'লে ল'কে দ্ৰব্যৰ জ্ঞান লাভ কৰিলে কেনেকৈ? তাৰোপৰি, দ্ৰব্যক অজ্ঞাত আৰু অজ্ঞেয় বুলি ধৰিলে গুণৰ লগত দ্ৰব্যৰ সম্পৰ্ক ব্যাখ্যা কৰা নাযায়। দ্ৰব্যক জনা যায় গুণৰ মাধ্যমত। গতিকে দ্ৰব্য আৰু গুণৰ মাজত ঘনিষ্ঠ সম্বন্ধ বৰ্তমান। গুণ জ্ঞাত হ'লে দ্ৰব্যও জ্ঞাত হ'ব লাগিব।

(২) ল'ক এজন অভিজ্ঞতাবাদী দাৰ্শনিক। কিন্তু তেওঁৰ তিনি দ্ৰব্যৰ ধাৰণা অভিজ্ঞতাবাদৰ বিৰোধী মতবাদ। তেওঁ অভিজ্ঞতাবীদ হ'লেও ঈশ্বৰ, আত্মা বা মন আৰু জড়দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে। কিন্তু এই তিনিটা দ্ৰব্যক ইন্দ্ৰিয়-অভিজ্ঞতাৰে জনা নাযায়।

(৩) ল'কে গুণৰ আধাৰ হিচাপে জড়দ্ৰব্যক স্বীকাৰ কৰিছে। কিন্তু বাৰ্কলিৰ মতে, গুণৰ আধাৰ ৰূপে কোনো জড়দ্ৰব্য নাই। আমি যি প্ৰত্যক্ষ কৰোঁ সি হ'ল গুণসমষ্টি— আমাৰ মনৰ ধাৰণামাত্ৰ। বাৰ্কলিৰ মতানুসাৰে আমাৰ মন আৰু মনৰ ধাৰণাৰ অতিৰিক্ত জড়দ্ৰব্য বুলি বাস্তৱত একো নাই।

(৪) ল'ক অভিজ্ঞতাবাদী হিচাপে এইটো স্বীকাৰ কৰে যে, দ্ৰব্যৰ ধাৰণা ইন্দ্ৰিয়-অভিজ্ঞতাৰে লাভ কৰা যায়। ইন্দ্ৰিয়-প্ৰত্যক্ষই জ্ঞানৰ একমাত্ৰ উৎস। সংবেদন আৰু অন্তৰ্দৰ্শনৰ দ্বাৰা আমাৰ যাৱতীয় জ্ঞানৰ উৎপত্তি হয়। কিন্তু পূৰ্ণতা, নিত্যতা, দেশ-কালৰ ধাৰণা ইন্দ্ৰিয়-প্ৰত্যক্ষৰে লাভ কৰা নাযায়। এইবোৰৰ জ্ঞান কেৱলমাত্ৰ বুদ্ধিৰে উপলব্ধি কৰিব পাৰি। গতিকে কেৱল ইন্দ্ৰিয়-প্ৰত্যক্ষৰ সহায়ত ল'কৰ দ্ৰব্যতত্ত্বৰ ব্যাখ্যা দিয়াটো সন্তোষজনক নহয়।

## ৩.২২.২ বাৰ্কলিৰ দ্ৰব্য সম্পৰ্কীয় অভিমত (Berkeley's View of Substance)

জৰ্জ বাৰ্কলি এজন আত্মগত ভাববাদী দাৰ্শনিক। এজন ভাববাদী দাৰ্শনিক হিচাপে তেওঁ আধ্যাত্ম দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰি জড়দ্ৰব্যৰ অস্তিত্ব অস্বীকাৰ কৰিছে। অভিজ্ঞতাবাদী হিচাপে বাৰ্কলিৰ দৰ্শনৰ মূল উক্তিয়েই হ'ল "অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ"

(esse est percipi)। যাক প্ৰত্যক্ষ কৰা যায় কেৱল তাৰহে অস্তিত্ব আছে। প্ৰত্যক্ষ বহির্ভূত কোনো বস্তুৰ অস্তিত্ব স্বীকাৰ কৰাটো অযুক্তিকৰ। বাৰ্কলিয়ে এই যুক্তিত জড়দ্ৰব্যৰ অস্তিত্ব খণ্ডন কৰিছে। তেওঁৰ মতে, জড়দ্ৰব্য বুলি বাস্তৱত একো নাই। বাহ্যজগত সম্পৰ্কে আমাৰ কিছুমান গুণৰ প্ৰত্যক্ষ অনুভৱ হয়। গুণৰ আধাৰ হিচাপে জড়দ্ৰব্য বুলি একো প্ৰত্যক্ষগোচৰ নহয়। **বাহ্যবস্তুবোৰ হৈছে গুণৰ সমষ্টি— গুণাতিৰিক্ত বাহ্যবস্তু বুলি একো নাই। জড়দ্ৰব্যৰ ধাৰণা এক বিমূৰ্ত ধাৰণা** (abstract ideas) আৰু বিমূৰ্ত ধাৰণাৰ কোনো বাস্তৱ অস্তিত্ব নাই। তাৰোপৰি, বাৰ্কলিৰ আপত্তি হ'ল এয়ে যে, ল'ক নিজেই দ্ৰব্যক অজ্ঞাত আৰু অজ্ঞেয় বুলি স্বীকাৰ কৰিছে। কিন্তু যি অজ্ঞাত আৰু অজ্ঞেয় তাৰ অস্তিত্ব স্বীকাৰ কৰাটো ল'কৰ যুক্তিসংগত হোৱা নাই।

বাৰ্কলিয়ে জড়দ্ৰব্য বুলিলে যি বিশেষ বিশেষ ভৌত বস্তু, যেনে— -ইট, পাথৰ, চেয়াৰ, টেবিল, পাহাৰ, পৰ্বত ইত্যাদিক বুজায় তাক অস্বীকাৰ কৰিছে। কাৰণ তেওঁৰ মতে, এনেকুৱা জড়দ্ৰব্য হ'ল ইন্দ্ৰিয়গ্ৰাহ্য গুণসমষ্টি মাত্ৰ। আমি বাস্তৱ অভিজ্ঞতাত জড়বস্তু বুলি একো নাপাওঁ— আমি পাওঁ কেৱল কিছুমান গুণ, যেনে— আকাৰ, আকৃতি, ৰূপ, ৰং, গোন্ধ ইত্যাদি কিছুমান গুণ। ইন্দ্ৰিয়গ্ৰাহ্য গুণসমূহ হৈছে সংবেদনৰ সমষ্টি আৰু সংবেদন মনৰ লগত সম্পৰ্কিত যাক বাৰ্কলিয়ে ধাৰণা বুলি কৈছে। গতিকে গুণসমূহ হৈছে মনৰ ধাৰণা আৰু সেইকাৰণে মন আৰু মনৰ ধাৰণাৰ বাহিৰে জড়বস্তু বুলি একো নাই। বাৰ্কলিৰ মতানুসাৰে বিশেষ বিশেষ জড়দ্ৰব্যবোৰ হ'ল ইন্দ্ৰিয়গ্ৰাহ্য গুণসমষ্টি = ধাৰণাৰ সমষ্টি যি কেৱল মনৰ লগত সম্পৰ্কিত হৈ থাকিব পাৰে। মনৰ লগত সম্পৰ্কযুক্ত গুণসমষ্টিৰ বাহিৰে জড়দ্ৰব্য বুলি একো নাই। গতিকে বিশেষ বিশেষ **জড়দ্ৰব্য = ইন্দ্ৰিয়গ্ৰাহ্য গুণসমষ্টি = ধাৰণাসমষ্টি।**

বাৰ্কলি জড়দ্ৰব্যৰ অস্তিত্ব অস্বীকাৰ কৰিলেও **আধ্যাত্ম দ্ৰব্যৰ** (spiritual substance) অস্তিত্ব স্বীকাৰ কৰিছে। এই আধ্যাত্ম দ্ৰব্য দুই প্ৰকাৰৰ— **জীৱাত্মা অৰ্থাৎ মন বা আত্মা** (Mind or Soul) আৰু **পৰমাত্মা বা ঈশ্বৰ** (God)। বাৰ্কলিৰ মতে, জড়দ্ৰব্য যিবিলাক সংবেদনৰ সমষ্টি সেইবোৰ সংবেদনৰ অস্তিত্ব মনৰ মাজতেই থাকে আৰু মন বা আত্মাই সংবেদন প্ৰত্যক্ষ কৰে। গতিকে মন বা আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিবলগা হয়। তাৰোপৰি, আমাৰ সুখ, দুখ, ৰাগ, দ্বেষ প্ৰভৃতিৰ আশ্ৰয় হিচাপে আত্মা নামৰ দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিবই লাগিব। আত্মা নামৰ দ্ৰব্য স্বীকাৰৰ সপক্ষে বাৰ্কলিৰ যুক্তি হ'ল ঃ যদিও আমি আত্মাক প্ৰত্যক্ষ নকৰোঁ, তথাপি আমাৰ আত্মাৰ প্ৰত্যয়

Scanned with OKEN Scanner

(notion) হয়। প্ৰত্যয়ৰ মাধ্যমত, সাক্ষাৎ আত্ম-চেতনাৰ (immediate self-consciousness) মাধ্যমত আত্মাক জনা যায়। আনফালে, পৰমাত্মা বা ঈশ্বৰ সন্দৰ্ভত বাৰ্কলিৰ যুক্তি হ'ল, বাহ্যজগতৰ অস্তিত্বৰ ধাৰাবাহিকতা, ঐক্য আৰু স্থিতিৰ ব্যাখ্যাৰ বাবে সৰ্বকালে প্ৰত্যক্ষ কৰ্তা হিচাপে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিবলগা হয়। গতিকে বাৰ্কলিৰ মতে, আধাত্ম দ্ৰব্যই কেৱল অস্তিত্বৱান আৰু আধাত্ম দ্ৰব্য মূলতঃ দুটা— মন বা আত্মা আৰু ঈশ্বৰ।

সমালোচনা (Criticism) ঃ বাৰ্কলিৰ দ্ৰব্য সম্পৰ্কীয় মতবাদো গ্ৰহণযোগ্য নহয়। বাৰ্কলিৰ মতবাদৰ বিৰুদ্ধে তলত দিয়া ক্ৰুটিসমূহ উল্লেখ কৰা যায় ঃ

(১) বাৰ্কলিৰ মতে, বস্তুৰ অস্তিত্ব প্ৰত্যক্ষৰ ওপৰত নিৰ্ভৰশীল। যাক প্ৰত্যক্ষ কৰা যায় কেৱল তাৰহে অস্তিত্ব আছে। গুণৰ আধাৰ স্বৰূপে জড়দ্ৰব্যক প্ৰত্যক্ষ কৰা নাযায়, গতিকে জড়দ্ৰব্য বুলি একো নাই। কিন্তু বাৰ্কলিৰ দ্ৰব্যতত্ত্বত অপ্ৰত্যক্ষিত দ্ৰব্যৰ অস্তিত্বও স্বীকৃত। তেওঁৰ মতে, আত্মা আৰু ঈশ্বৰ প্ৰত্যক্ষ কৰা নগ'লেও প্ৰত্যক্ষ কৰ্তা হিচাপে আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব স্বীকৃত। বাৰ্কলিৰ এই মতবাদ স্ববিৰোধী। যদি প্ৰত্যক্ষই দ্ৰব্যৰ অস্তিত্বৰ ভিত্তি হয়, তেনেহ'লে জড়দ্ৰব্যৰ দৰে আত্মা আৰু ঈশ্বৰৰ অস্তিত্বও অস্বীকাৰ কৰিব লাগিব। কাৰণ জড়দ্ৰব্যৰ দৰে গুণৰ আধাৰ স্বৰূপে আত্মা আৰু ঈশ্বৰৰ প্ৰত্যক্ষ নহয়।

(২) 'অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ'— বাৰ্কলিৰ এই তত্ত্বটোক স্বীকাৰ কৰা নাযায়। কাৰণ বস্তুৰ জ্ঞান প্ৰত্যক্ষৰ ওপৰত নিৰ্ভৰ হ'লেও বস্তুৰ অস্তিত্ব প্ৰত্যক্ষৰ ওপৰত নিৰ্ভৰ নহয়। বস্তুৰ অস্তিত্ব থাকে বাবেহে আমি তাক প্ৰত্যক্ষ কৰিব পাৰোঁ।

(৩) বাৰ্কলিৰ মতবাদ পদাৰ্থবিজ্ঞানৰ চিন্তাধাৰাৰ বিৰোধী। পদাৰ্থবিজ্ঞানে জাগতিক বিষয়সমূহক জড় আৰু গতিৰ সহায় ব্যাখ্যা কৰে। বাৰ্কলিৰ দৰে জড়দ্ৰব্যৰ স্বতন্ত্ৰ অস্তিত্ব অস্বীকাৰ কৰিলে জগতৰ গতি, পৰিৱৰ্তন ইত্যাদিৰ ব্যাখ্যা অসম্ভৱ হৈ পৰে।

(৪) বস্তুজগতৰ স্থিতি, ধাৰাবাহিকতা আৰু ঐক্যৰ ব্যাখ্যাৰ বাবে বাৰ্কলি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছে। তেওঁৰ এই স্বীকৃতি তেওঁৰ মূল উক্তি 'অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ'ৰ লগত সংগতিপূৰ্ণ নহয়। ঈশ্বৰক আমি প্ৰত্যক্ষ কৰিব নোৱাৰোঁ। গতিকে জাগতিক বস্তুৰ ধাৰাবাহিকতা ব্যাখ্যাৰ বাবে ঈশ্বৰ স্বীকৃতি সমৰ্থনযোগ্য নহয়।

(৫) বাৰ্কলিৰ দ্ৰব্যতত্ত্বত গুণক স্বীকাৰ কৰা হৈছে, কিন্তু গুণৰ আধাৰ হিচাপে জড়দ্ৰব্যক অস্বীকাৰ কৰা হৈছে। গুণ আছে অথচ গুণৰ আশ্ৰয় নাই— এনে মতবাদ গ্ৰহণ কৰা নাযায়।

## ৩.২২.৩ হিউমৰ দ্ৰব্য সম্পৰ্কীয় অভিমত (Hume's View of Substance)

ডেভিড হিউম এজন চৰম অভিজ্ঞতাবাদী দাৰ্শনিক। তেওঁৰ মতে, ইন্দ্ৰিয়-অভিজ্ঞতাই জ্ঞানৰ একমাত্ৰ উৎস। গতিকে ইন্দ্ৰিয়-অভিজ্ঞতাত যাক পোৱা নাযায় তাৰ অস্তিত্ব স্বীকাৰ কৰা নাযায়। অভিজ্ঞতাবাদী হিচাপে তেওঁ এই সিদ্ধান্ত কৰে যে, জড় বা আত্মাক দ্ৰব্য হিচাপে স্বীকাৰ কৰা নাযায়; লগতে ঈশ্বৰৰ অস্তিত্বতো বিশ্বাস কৰিব নোৱাৰি। জড়দ্ৰব্য হ'ল সংবেদনৰ সমষ্টি আৰু আত্মা হ'ল পৰিবৰ্তনশীল মানসিক অৱস্থাবোৰৰ এটি ধাৰা বা প্ৰবাহ। ঈশ্বৰৰ অস্তিত্ব সংশয়ৰ বিষয়। দ্ৰব্যৰ ধাৰণা হ'ল সংবেদনৰ দ্বাৰা প্ৰাপ্ত কিছুমান গুণৰ সমষ্টি; গুণবোৰৰ অৱলম্বন বা আধাৰ হিচাপে দ্ৰব্যৰ ধাৰণা এক উদ্ভট আৰু কাল্পনিক ধাৰণা। সেইকাৰণে হিউমে কৈছে— **দ্ৰব্যৰ ধাৰণা হ'ল এটা দুৰ্বোধ্য উদ্ভট কল্পনা** (unintelligible chimera)।

অভিজ্ঞতাবাদক অনুসৰণ কৰি হিউমে কয় যে, **প্ৰত্যক্ষণ** (perception) চিন্তাৰ একমাত্ৰ উপকৰণ। প্ৰত্যক্ষণৰ দুটা ৰূপ— **ইন্দ্ৰিয়জ** (impression) আৰু **ধাৰণা** (ideas)। ইন্দ্ৰিয়জ ধাৰণাৰ পূৰ্বগামী। যি বস্তুৰ ইন্দ্ৰিয়জ নাই, সেই বস্তুৰ ধাৰণা গঠন কৰা সম্ভৱ নহয়। ইন্দ্ৰিয়জ বাহ্য বা আন্তৰ সংবেদনৰ হ'ব পাৰে। তথাকথিত জড়দ্ৰব্য বা আধ্যাত্ম দ্ৰব্যৰ বাহ্য বা আন্তৰ ইন্দ্ৰিয়জ নহয়। গতিকে দ্ৰব্যৰ অস্তিত্বক স্বীকাৰ কৰিব নোৱাৰি।

জড়দ্ৰব্যৰ অস্তিত্বৰ খণ্ডন প্ৰসংগত হিউমে কৈছে, আমাৰ ইন্দ্ৰিয়-অভিজ্ঞতাত যি পোৱা যায় সি হ'ল ইন্দ্ৰিয়জ বা ইন্দ্ৰিয়-সংবেদন। ইন্দ্ৰিয়জ বা ইন্দ্ৰিয়-সংবেদনৰ দ্বাৰা আমাৰ কিছুমান গুণৰ জ্ঞান হয়— গুণৰ আধাৰ হিচাপে কোনো দ্ৰব্যৰ জ্ঞান নহয়। ল'ক গুণসমূহৰ আধাৰ হিচাপে অজ্ঞাত দ্ৰব্যৰ অস্তিত্ব স্বীকাৰ কৰিছে। কিন্তু হিউমৰ মতে, দ্ৰব্য সম্পৰ্কে এনেকুৱা অজ্ঞাত আধাৰৰ ধাৰণা হৈছে এটা দুৰ্বোধ্য অসাৰ কল্পনা বা উদ্ভট কল্পনা মাত্ৰ। গুণসমূহ সমষ্টিৰ বাহিৰে 'দ্ৰব্য' বুলি বাস্তৱত একো নাই। উদাহৰণস্বৰূপে— যেতিয়া আমি 'সোন' নামৰ দ্ৰব্যৰ কথা কওঁ, তেতিয়া প্ৰকৃতপক্ষে কিছুমান ইন্দ্ৰিয়জ বা ইন্দ্ৰিয়-সংবেদন ৰূপে গুণসমষ্টিৰ কথা কওঁ; যেনে— বিশেষ হালধীয়া ৰং, বিশেষ ওজন, নমনীয়তা, বিশেষ এচিডত গলি যোৱাৰ বৈশিষ্ট্যসম্পন্ন প্ৰভৃতি কিছুমান গুণক একত্ৰিতভাৱে বুজোৱা হয়। এই গুণবোৰকে আমি ইন্দ্ৰিয়-সংবেদনৰ দ্বাৰা জানিব পাৰোঁ— এই গুণবোৰক বাদ দি অতিৰিক্ত একো

বিষয়ৰে জ্ঞান আমাৰ নহয়। এই সংবেদন বা ইন্দ্ৰিয়সমষ্টিক বহুবাৰ একেলগে প্ৰত্যক্ষিত হোৱাৰ বাবে এই ইন্দ্ৰিয়সমষ্টি বা গুণসমষ্টিকে আমি এটা বিশেষ নাম (সোন) দিওঁ। এই গুণসমষ্টিক বাৰে বাৰে প্ৰত্যক্ষ কৰাৰ সময়ত আমাৰ মনত এক বিশিষ্ট বস্তুৰ ধাৰণাৰ উৎপন্ন হয় অৰ্থাৎ দ্ৰব্যৰ ধাৰণাৰ উৎপন্ন হয়। সেইকাৰণে হিউমে দ্ৰব্যৰ ধাৰণাক এক প্ৰকাৰৰ মানসিক অভ্যাসৰ পৰা উৎপন্ন হোৱা ধাৰণা বুলি কৈছে। এইদৰে হিউমে গুণৰ অজ্ঞাত আধাৰ জড়দ্ৰব্যক অস্বীকাৰ কৰিছে আৰু জড়দ্ৰব্য বুলিলে কেৱল গুণসমষ্টিকে বুজাইছে।

'আত্মা' নামৰ দ্ৰব্যৰ অস্তিত্ব খণ্ডন প্ৰসংগত হিউমে কৈছে যে, **আত্মা হৈছে আমাৰ মানসিক অৱস্থা বা ক্ৰিয়াসমূহৰ সমষ্টি। মানসিক অৱস্থা বা ক্ৰিয়াসমূহৰ অতিৰিক্ত স্থায়ী আত্মা বুলি একো নাই।** হিউমৰ মতে, অন্তৰ্দৰ্শন বা আন্তৰ প্ৰত্যক্ষণৰ দ্বাৰা আমি কিছুমান মানসিক ক্ৰিয়া বা অৱস্থা সম্পৰ্কে জানিব পাৰোঁ, তাৰ অতিৰিক্ত কোনো স্থায়ী আধাৰ আত্মাক জানিব নোৱাৰোঁ। এই সন্দৰ্ভত হিউমে কৈছে, *"When I enter most intimately into what I and myself I always stumble on particular perception or other of heat or cold, light or shade, love or hatred, pain or pleasure. I never can catch myself at any time without a perception and never can observe anything but the perception"* অৰ্থাৎ **"যেতিয়া মই অন্তৰংগভাৱে নিজৰ ভিতৰত প্ৰৱেশ কৰোঁ, তেতিয়া সৰ্বদা মই কিছুমান বিশেষ প্ৰত্যক্ষৰ লগত পৰিচিত হওঁ—গৰম বা ঠাণ্ডা, পোহৰ বা এন্ধাৰ, প্ৰেম বা ঘৃণা, দুখ বা সুখ ইত্যাদি। কোনো সময়তে সংবেদন বা প্ৰতক্ষ্যৰ বাহিৰে 'আত্মা'ৰ সাক্ষাৎ নাপাওঁ"**। সংক্ষেপে, হিউমৰ মতানুসাৰে আন্তৰ অভিজ্ঞতাত বা আন্তৰ প্ৰত্যক্ষণত মানসিক অৱস্থা বা ক্ৰিয়াসমূহৰ অতিৰিক্ত আত্মা নামৰ কোনো দ্ৰব্যক জনা নাযায়। আত্মা হ'ল চিন্তা, ইচ্ছা, সংকল্প, অনুভূতি প্ৰভৃতি মানসিক ক্ৰিয়াৰ ধাৰা বা প্ৰবাহ। **অনুসংগ নিয়মৰ** (law of association) দ্বাৰা মানসিক ক্ৰিয়াসমূহৰ ঐক্যক ব্যাখ্যা কৰা যায়।

তাৰোপৰি, হিউমৰ মতানুসাৰে ঈশ্বৰৰ অস্তিত্ব সংশয়ৰ বিষয়। কাৰণ ঈশ্বৰ ইন্দ্ৰিয়-অভিজ্ঞতাত পোৱা নাযায়। সংবেদন বা অন্তৰ্দৰ্শনৰ মাধ্যমত আমাৰ ঈশ্বৰৰ ইন্দ্ৰিয়জ নহয়। গতিকে ঈশ্বৰৰ অস্তিত্বও সংশয়যোগ্য। এইদৰে হিউমে বুদ্ধিবাদী আৰু অভিজ্ঞতাবাদী আন আন দাৰ্শনিকসকলে স্বীকৃত তিনিটা দ্ৰব্য অৰ্থাৎ জড়দ্ৰব্য, আত্মাদ্ৰব্য আৰু ঈশ্বৰ-দ্ৰব্যৰ অস্তিত্ব খণ্ডন কৰি ঘোষণা কৰিছে যে দ্ৰব্য বুলি বাস্তৱত একোৱে নাই।

Scanned with OKEN Scanner

সমালোচনা ঃ হিউমৰ দ্ৰব্য সম্পৰ্কীয় মতবাদ গ্ৰহণযোগ্য নহয়। ইয়াৰ বিৰুদ্ধে নিম্নলিখিত আপত্তিসমূহ উল্লেখ কৰা যায় ঃ

(১) হিউম জড়দ্ৰব্য বুলিলে গুণসমষ্টিক বুজিছে আৰু আত্মা বুলিলে মানসিক অৱস্থা বা ক্ৰিয়াসমূহৰ ধাৰাবাহিক প্ৰবাহক বুজিছে। ইয়াৰ অতিৰিক্ত জড়দ্ৰব্য আৰু আত্মা বুলি একো নাই। কিন্তু গুণ কিবা নহয় কিবা বস্তুৰ গুণ; একেদৰে মানসিক অৱস্থা, যেনে— ইচ্ছা, অনিচ্ছা, সুখ, দুখ কাৰোবাৰ নহয় কাৰোবাৰ ইচ্ছা-অনিচ্ছা বা সুখ-দুখ। গতিকে গুণসমষ্টিৰ আধাৰ ৰূপে জড়দ্ৰব্যক স্বীকাৰ নকৰিলে আৰু মানসিক অৱস্থাবোৰ আধাৰ স্বৰূপ আত্মাক স্বীকাৰ নকৰিলে বস্তুৰ গুণ আৰু মানসিক অৱস্থাবোৰৰ সঠিক ব্যাখ্যা নহয়।

(২) হিউম আত্মাৰ অস্তিত্ব অস্বীকাৰ কৰিছে। কাৰণ আত্মাক প্ৰত্যক্ষণৰ মাধ্যমত জনা নাযায়। হিউমৰ এই যুক্তি সন্তোষজনক নহয়। কাৰণ আত্মা হৈছে জ্ঞাতা, আত্মা জ্ঞেয়বস্তুৰ দৰে নহয় যাক প্ৰত্যক্ষণৰ মাধ্যমত জানিব পাৰি। হিউম আত্মাক জ্ঞানৰ বিষয় কৰিব বিচাৰিছিল। কিন্তু আত্মা সৰ্বদা জ্ঞাতা হিচাপে অস্তিত্বৱান।

(৩) হিউমে জড়দ্ৰব্য আৰু মন বা আত্মাৰ অনস্তিত্ব প্ৰমাণ কৰাৰ বাবে একেই ধৰণৰ যুক্তি প্ৰদান কৰিছে। কিন্তু এইটো সঠিক নহয়। জড়দ্ৰব্যবোৰৰ বৈশিষ্ট্য হ'ল যে, এইবোৰ দেশত (space) অৱস্থান কৰে। কিন্তু মন বা আত্মা দেশত অৱস্থান কৰিব নোৱাৰে।

(৪) হিউমৰ মতবাদ সংশয়বাদ (scepticism)। হিউম জড়দ্ৰব্য, স্থায়ী আত্মা আৰু ঈশ্বৰ— সমস্ত বিষয়ৰে জ্ঞানত সংশয় প্ৰকাশ কৰিছে। তেওঁৰ মতে, নিশ্চিত জ্ঞান বুলি একো নাই। এনে সংশয়বাদ দৰ্শনৰ অস্বীকৃতি।

(৫) হিউম এজন চৰম অভিজ্ঞতাবাদী দাৰ্শনিক। অভিজ্ঞতাত নোপোৱা কোনো বস্তুৰে অস্তিত্ব হিউমে স্বীকাৰ নকৰে। সেইকাৰণে তেওঁ আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰিছে। কিন্তু অভিজ্ঞতাই জ্ঞানৰ একমাত্ৰ উৎস নহয়। অভিজ্ঞতাৰ উপৰি বুদ্ধি (reason) আৰু স্বজ্ঞাৰ (intuition) দ্বাৰাও আমি বহুতো বিষয়ৰ জ্ঞান লাভ কৰিব পাৰোঁ।

## ৩.২৩ দ্ৰব্য সম্পৰ্কীয় কাণ্ট আৰু হেগেলৰ মতবাদ (Kant and Hegel's View of Substance)

দ্ৰব্য সম্পৰ্কীয় কান্ট আৰু হেগেলৰ মতবাদ বুদ্ধিবাদী আৰু অভিজ্ঞতাবাদী মতবাদৰ পিছত এক গুৰুত্বপূৰ্ণ মতবাদ হিচাপে স্বীকৃত। উভয় দাৰ্শনিকৰ মতবাদ